# ইজৰাইলৰ সংসদীয় প্ৰতিনিধি দলৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ

মাৰ্চ 31, 2023

ইজৰাইলৰ পৰা অহা সংসদীয় প্ৰতিনিধি দলৰ নেতৃত্বত নেচেটৰ অধ্যক্ষ মাননীয় শ্ৰীযুত আমিৰ ওহানাই আজি (31 মাৰ্চ, 2023) ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে।

প্ৰতিনিধি দলটোক আদৰণি জনাই ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে যোৱা 30 টা বছৰত দুয়োখন দেশৰ কূটনৈতিক সম্পৰ্ক বহুমাত্ৰিক কৌশলগত অংশীদাৰিত্বলৈ পৰিণত হৈছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে যে তেওঁলোকৰ দীৰ্ঘ ইতিহাসৰ সময়ছোৱাত ভাৰতৰ ইহুদী সম্প্ৰদায়সমূহে নিজৰ অনন্য ঐতিহ্য আৰু পৰম্পৰা বজাই ৰাখিছে, আৰু সমৃদ্ধিশালী কৰি তুলিছে। তেওঁ কয় যে ইহুদী জনসাধাৰণ ভাৰতৰ সংমিশ্ৰিত সমাজৰ এক অবিচ্ছেদ্য অংগ হৈ আহিছে - আৰু সদায় থাকিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ভাৰতত ইজৰাইল উন্নত কৃষি আৰু জল প্ৰযুক্তিৰ বিশেষজ্ঞতাৰ মূল উৎস হিচাপে সুপৰিচিত। গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত আমাৰ সহযোগিতাই 'মেক ইন ইণ্ডিয়া' পদক্ষেপকো সহায় কৰিছে। সমগ্ৰ ভাৰতত ইজৰাইলৰ সহায়ত স্থাপন কৰা 'চেণ্টাৰছ অৱ এক্সেলেন্স'ৰ সফলতা লক্ষ্য কৰি তেওঁ সুখী।

**নতুন দিল্লী**

**মাৰ্চ 31, 2023**